অসম দাপোণ
দৈনিক অগ্ৰদূত
যোৰহাট, ২৭ এপ্ৰিল, শুকুৰবাৰ ২০১৮ পৃষ্ঠা ১২

## মেলেঙত ধুমুহা-বতাহত বিস্তৰ ক্ষতি

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ২৬ এপ্ৰিল ঃ** মধ্য যোৰহাটৰ মেলেং, চাওখাত, হোলোঙাপাৰ, ঢেঁকীয়াখোৱা, বালিচাপৰি, চটাই, চেনীজান, হাতীগড়, ৰংদৈ, বৰখাত, বছাপথাৰ, লাহদৈগড়, ফেচুৱাল, ৰাইজ, যোগীভেটা ইত্যাদি অঞ্চলত যোৱা নিশা আঠ বজাত অহা প্ৰবল ধুমুহা- বতাহত গছ-গছনি ভগাৰ লগতে মানুহৰ ঘৰৰ টিনপাত, গোহালি ঘৰ, খেৰৰ ঘৰৰ টিনপাত, ব্যৱসায়িক প্ৰতিষ্ঠানৰ টিনপাত একৰাই বিস্তৰ ক্ষতিসাধন কৰে। অৱশ্যে মানুহ বা জীৱ-জন্তুৰ কোনো ক্ষতি হোৱা নাই। ধুমুহা-বতাহৰ বাবে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ পৰাত ৰাইজৰ মাজত সমস্যাৰ সৃষ্টি হৈছে। বিদ্যুৎ নথকাত ব্যৱসায়িক প্ৰতিষ্ঠান, ক্ষুদ্ৰ উদ্যোগ, ধানৰ কল ইত্যাদিৰ কাম অচল হৈ পৰিছে তথা শিক্ষানুষ্ঠানতো সমস্যাৰ সৃষ্টি হৈছে।

## নাজিৰাত গছ কাটোতে তললৈ পৰি মৃত্যু

অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ২৬ এপ্ৰিল ঃ** গছ কাটি থাকোতে তললৈ সৰি পৰি এজন লোকে থিতাতে প্ৰাণ হেৰুৱাবলগীয়া হয় নাজিৰা মহকুমাৰ অন্তৰ্গত শেনআলি অঞ্চলত। আজি সংঘটিত হোৱা শোকাৱহ ঘটনাটোত মৃত্যু হোৱা লোকজনৰ নাম ভবেশ কাকতি (৪৩)। মৃত ভৱেশৰ ঘৰ ঘটনাস্থলীৰ পৰা কিছু নিলগৰ চকীমুখ কচুটেকেলাত। ভৱেশে আজি শেনআলিত এজোপা গছত উঠি কাটি থাকোতে অসাৱধানতাবশতঃ প্ৰায় ২৫ ফুট উচ্চতাৰ পৰা পৰি যায়। ফলত থিতাতে মৃত্যুক আঁকোৱালি লয় লোকজনে।

## গোলকগঞ্জত অনিয়মীয়া বিদ্যুৎ যোগানত অতিষ্ঠ ৰাইজ

**বক্সিৰহাট, ২৬ এপ্ৰিল ঃ** গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত আগমনী, হালাকুৰা, ছাগলীয়া, মেৰাপানী, বটেৰহাট, লোহাজানী, সাটমৰিটা, ভাই বজাৰ আদি অঞ্চলত অনিয়মীয়া বিদ্যুৎ যোগানত অতিষ্ঠ হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী। যোৱা কিছুদিনৰ পৰা প্ৰতি এঘণ্টাৰ মূৰে মূৰে বজাৰ অঞ্চলত বিদ্যুতৰ লোডশ্বেডিং হোৱাটো নিয়মত পৰিণত হৈছে। আনহাতে, গাঁও অঞ্চলত তিনি-চাৰি ঘণ্টাকৈ বিদ্যুৎ সংযোগ নাথাকে। সাধাৰণ বৰষুণত বিদ্যুৎ কৰ্তন কৰা হয় তিনি-চাৰিদিনকৈ। উল্লেখ্য যে ইয়াৰ বিদ্যুৎ পৰিবাহী তাঁৰ আৰু খুঁটা অবৈজ্ঞানিকভাৱে সংযোগ কৰাত প্ৰায়ে তাঁৰ ছিঙি যায়। আগমনী ৰাজ্যিক বিদ্যুৎ উপ-সংমণ্ডলৰ এছ ডি অ' সূৰ্য কুমাৰ প্ৰধানে দায়িত্ব লাভৰ পৰাই বিদ্যুৎ যোগান অধিক অনিয়মীয়া হৈ পৰিছে। বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা বিষয়া আৰু ক্ষেত্ৰ কৰ্মচাৰীৰ অমনোযোগিতাৰ বাবে ৰাইজে বিদ্যুৎ যোগানৰ পৰা বঞ্চিত হৈ আছে বৃহৎ অঞ্চলটোৰ বিদ্যুতৰ গ্ৰাহকে। ৰাইজে নিয়মীয়া বিদ্যুৎ যোগানৰ বাবে কৰ্তৃপক্ষলৈ দাবী জনাইছে।

## নৌগাঁ মহাবিদ্যালয়ত আই আই টি গুৱাহাটীৰ প্ৰশিক্ষণ

বিশেষ সংবাদদাতা
**নগাঁও, ২৬ এপ্ৰিল ঃ** ভাৰত চৰকাৰৰ বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ৰ (এম এ আই টি ৱাই)ৰ অধীনত আই আই টি গুৱাহাটীৰ ইলেকট্ৰিক্স এণ্ড আই চি টি একাডেমী বিভাগে নৌগাঁ মহাবিদ্যালয়ৰ সহযোগত উচ্চ শিক্ষাৰ পাঠদানত প্ৰযুক্তিৰ ফলপ্ৰসূ ব্যৱহাৰ সম্পৰ্কে এক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। অহা ৩০ এপ্ৰিলৰ পৰা ছ মে'লৈ অনুষ্ঠিত হ'ব লগা কাৰ্যসূচীত কলা, বিজ্ঞান, বাণিজ্য আইন আদি শিক্ষাৰ বিভিন্ন শাখাৰ শিক্ষক, গৱেষক আদিৰ বাবে এই কাৰ্যসূচী মুকলি থাকিব। প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বিচৰা সকলো লোকক কাৰ্যসূচীৰ তথা মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড° হেমলতা দেৱী আৰু ই এন আই চি টি একাডেমী, আই আই টি গুৱাহাটীৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## মুছলপুৰত গঁড়ৰ মুক্ত বিচৰণ ঃ শংকিত ৰাইজ



অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ২৬ এপ্ৰিল ঃ** মুছলপুৰৰ দিহিৰাত আজি এটা গঁড়ৰ মুক্ত বিচৰণত আতংকময় পৰিবেশৰ সৃষ্টি হয় অঞ্চলটোত। মানাহ ৰাষ্ট্ৰীয় উদ্যানত সম্প্ৰতি এন ডি এফ বিৰ বিৰুদ্ধে নিৰাপত্তাৰক্ষীৰ অভিযান চলি থকা বাবে বন্দুক-বাৰুদৰ শব্দৰ পৰা ৰক্ষা পাবলৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা গঁড়টো ওলাই অহা বুলি বন বিভাগে সন্দেহ প্ৰকাশ কৰিছে। আজি নিচেই পুৱা গঁড়টোৱে নিকাচিৰ সমীপৱৰ্তী এক নম্বৰ দিহিৰা, দুই নম্বৰ দিহিৰা, তিনি নম্বৰ দিহিৰা, বাগানপুৰ, দক্ষিণ ভূটানখুটি, নিকাচি আদি অঞ্চলত বিচৰণ কৰে। পুৱাৰে পৰা বাগ্‌সা বন বিভাগ আৰু নিকাচি আৰক্ষীয়ে গঁড়টো মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰলৈ খেদি নিয়াৰ চেষ্টা কৰে। বন বিভাগে হিলৈ ফুটাই গঁড়টো নিৰাপদ স্থানলৈ নিয়াৰ চেষ্টা চলোৱাৰ সময়ত বহু সংখ্যক ৰাইজে গঁড়টো ওচৰৰ পৰা চোৱাৰ বাবে হেতা-ওপৰা লগায়।

## আছুৰ বিক্ষোভ ঃ এঘণ্টা বন্ধ ৰাখিলে দোকান-পোহাৰ

# টেঙাখাতত অনিয়মীয়া বিদ্যুৎ যোগান

অগ্ৰদূত বাৰ্তা
**টেঙাখাত, ২৬ এপ্ৰিল ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অন্তৰ্গত টেঙাখাত নিয়ন্ত্ৰণ কক্ষৰ পৰা চাৰিটা ফিডাৰৰ যোগে বৃহত্তৰ টেঙাখাত অঞ্চলত নিয়মীয়াকৈ বিদ্যুৎ যোগান ধৰাত ব্যৰ্থ হোৱাত আজি টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰে। টেঙাখাত অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু টেঙাখাত টাউনৰ দোকান-পোহাৰসমূহ বন্ধ কৰি ব্যৱসায়ীসকলে বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি টেঙাখাত পৰিদৰ্শন ভৱনৰ পৰা শক্তি বিতৰণ কোম্পানীৰ নিয়ন্ত্ৰণ কক্ষলৈ এক প্ৰতিবাদী সমদল হৈ যাত্ৰা কৰে। সমদলটোৰ প্ৰতিবাদকাৰীসকলে 'অসম শক্তি বিতৰণ কোম্পানী মুৰ্দাবাদ', 'শক্তি মন্ত্ৰী পল্লৱলোচন দাস মুৰ্দাবাদ', 'জি ডি এম মুৰ্দাবাদ', 'এছ ডি অ মুৰ্দাবাদ', 'সাংসদ ৰামেশ্বৰ তেলি মুৰ্দাবাদ', 'বিধায়ক তেৰছ গোৱালা মুৰ্দাবাদ' ইত্যাদি প্ৰতিবাদী শ্ল'গান দিয়ে। প্ৰতিবাদকাৰী দলটোৱে প্ৰায় দুই কিলোমিটাৰ যাত্ৰা কৰি নিয়ন্ত্ৰণ কক্ষৰ সন্মুখত এঘণ্টা সময় পথ অৱৰোধ কৰে। পথ অৱৰোধ সময়ছোৱাত পথটোৰ দুয়োফালে যান-বাহন আৱদ্ধ হৈ পৰে। টেঙাখাত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিদ্যুৎ ধত্তেই ছাত্ৰ সন্থাৰ বিষয়-ববীয়াসকলৰ মতে আলোচনা কৰাৰ অন্তত পথ অৱৰোধ কাৰ্যসূচী উঠাই লয়। নিয়ন্ত্ৰণ কক্ষৰ সন্মুখত এক প্ৰতিবাদী সভা অনুষ্ঠিত কৰা হয়। টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰ্জুন ছেত্ৰীয়ে আঁত ধৰা প্ৰতিবাদী সভাত আছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক ধমজিৎ সন্দিকৈ, টাই আহোম ছাত্ৰ সন্থাৰ উপদেষ্টা তিলক গগৈ, প্ৰেছ ক্লাবৰ সভাপতি দীপক গগৈ আৰু টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উমানন্দ গোঁহাইয়ে বিদ্যুৎ পৰিষদে অঞ্চলটোত অনিয়মীয়াকৈ বিদ্যুৎ যোগান ধৰাৰ অন্তৰালত থকা বিভাগীয় কৰ্তৃপক্ষৰ হেমাহিক ধিক্কাৰ দি বক্তব্য ৰাখে। ডিব্ৰুগড় জিলা উপায়ুক্ত আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, ডিব্ৰুগড় জিলা উপ মহাপ্ৰবন্ধকলৈ পাঁচ দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিবলৈ টেঙাখাত ৰাজ চক্ৰ বিষয়াক প্ৰদান কৰা হয়।



*গুৱাহাটী বিশ্ববিদ্যালয়ত অইলৰ ৬০ বছৰীয়া স্মৃতিবিজড়িত অনুষ্ঠানত অইলৰ প্ৰবন্ধক আৰু পৰিচালন সঞ্চালক উৎপল বৰাই বন্তি প্ৰজ্বলন কৰিছে, বৃহস্পতিবাৰে।*

## পূব বৰপেটাৰ বিভিন্ন প্ৰান্তত জিঅ'ৰ নিম্নমানৰ নেটৱৰ্ক

অগ্ৰদূত বাৰ্তা
**বহৰি, ২৬ এপ্ৰিল ঃ** ম'বাইল কমিউনিকেছন কোম্পানী এয়াৰচেল সেৱা বন্ধ হৈ যোৱাৰ পিছত এয়াৰচেলৰ অনেক উপভোক্তাই জিঅ' ফ'ৰ জি ব্যৱহাৰ কৰি ম'বাইলৰে দূৰ দূৰণিৰ আত্মীয়-স্বজন, ব্যৱসায়ীসকলৰ লগত যোগাযোগ অক্ষুণ্ণ ৰাখিছে। অন্য ম'বাইল কমিউনিকেছনৰ তুলনাত কম ব্যয়বহুল হোৱা হেতুকে নিজৰ ছিমখন জিঅ' কৰি লৈছে যদিও বৰপেটাৰ দৌলাশাল-কলিতাকুছি পথৰ উত্তৰ-পূব প্ৰান্তৰ পুঠিমাৰি, গোহেৰপাম, জনতা বজাৰ, ভৈৰাগুৰি, বাগোদী, ভেৰাভিঠা, ভেল্লাৰ বনবৰীয়া, খন্দকাৰ পাৰা, শিলা, কাকধোৱা, পালহাজী, ঔমূৰা, ভোগেৰপাৰ, উত্তৰৰ হাহঁচৰা, দেৱাদী, পানীচিলা, তাঁতীকুছি, খৰুৱাপাৰা, ৰাধাকুছি, হাবি ৰাধাকুছি, ভেৰালদি, পলাশৰতল, বাটগাঁৱকে ধৰি বিভিন্ন প্ৰান্তত অতি কম নেটৱৰ্ক ছিগনেল প্ৰদৰ্শন হোৱা দেখা গৈছে। উপভোক্তাই জৰুৰীকালীন সময়তো নিৰ্ধাৰিত ব্যক্তি, প্ৰতিষ্ঠানলৈ ফোনযোগে যোগাযোগ কৰিবলৈ সক্ষম হোৱা নাই। ফলত জীয়াতু ভুগিব লগা হৈছে উপভোক্তাসকল। ইপিনে, একাংশ উপভোক্তাই জিঅ'ৰ ফ'ৰ জি সেৱা অন্য কোম্পানীৰ থ্ৰী জি সেৱাতকৈও কম দ্ৰুত বেগী বুলি অভিযোগ কৰে। জিঅ' নিম্নমানৰ সেৱাত অতিষ্ঠ হৈ পৰিছে উপভোক্তা।

### হাৰাশাস্তিৰ সন্মুখীন উপভোক্তা

## শ্ৰীৰামপুৰত ৰেলৰ পৰা পৰি যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২৬ এপ্ৰিল ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমলুটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰ ৰেল ষ্টেছনৰ সমীপত আজি চলন্ত ৰেলৰ পৰা পৰি এজন লোকৰ মৃত্যু হয়। আজি সন্ধিয়া ৫-৫০ বজাত নামনিমুৱা শৰাইঘাট এক্সপ্ৰেছ ৰেলৰ পৰা পৰি আনুমানিক ৩০-৩৫ বছৰীয়া অচিনাক্ত এজন যুৱকৰ মৃত্যু হয়। ক'লা ৰঙৰ পেণ্ট আৰু কমলা ৰঙৰ ছাৰ্ট পৰিহিত যুৱকজন ৰেলখনৰ যাত্ৰী আছিল বুলি ৰেল আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

## লোকে লোকাৰণ্য ঘোঁৰাবান্ধা দৌল উৎসৱ

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ২৬ এপ্ৰিল ঃ** বৰং তথা ছিপাধাৰৰ স্বাতিমান হিচাপে চিহ্নিত ঘোঁৰাবান্ধা দৌল উৎসৱৰ আদিৰ প্ৰথমদিনা লোকে লোকাৰণ্য হৈ পৰে ঐতিহ্যমণ্ডিত দৌলখলা। আদি পুৱাৰে পৰা চৰাডোচল হৈ পৰা দিনটোত যেন অধিক প্ৰাণোচ্ছল হৈ পৰে অঞ্চলটোৰ ৰাইজ। চামে চামে ন সাজ পৰিধান কৰা কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ পৰা আৰম্ভ কৰি আদহীয়া বুঢ়া-মেঘা সকলো ওলাই আহি উছৱৰ মেলাত ভিৰ কৰিছে মূলতঃ বিষ্ণু পূজাৰ অনুষ্ঠানৰূপে চিহ্নিত দৌল উৎসৱত সৰ্বধৰ্মৰ ৰাইজে অংশগ্ৰহণ কৰি সম্প্ৰীতিৰ সেঁতু ৰচনা কৰি অহাটো এক পৰম্পৰাত পৰিণত হৈছে ঘোঁৰাবান্ধা দৌল। উল্লেখ্য যে আজি প্ৰথমদিনা দৌলক ভৰ দৌল বোলে। কাইলৈ বাঁহী দৌল। আজি দৌল উৎসৱৰ সমূহীয়া মেলাত কে'বা কোটি টকাৰ কাঁহ-পিতলৰ বাচন-বৰ্তন, শীতলপাটী, শিমুলতুলা, তৰমুজ, বিধে বিধে মুখৰোচক মিঠাই, কুজি থেকেৰাৰ (আচাৰ), মনোহাৰী সা-সামগ্ৰী, তাঁতশালৰ সামগ্ৰী, কৃষি কাৰ্যৰ সা-সঁজুলি, বস্ত্ৰ আদিৰ ক্ৰয়-বিক্ৰয় হয়। উল্লেখ্য যে দশম-একাদশ শতিকাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাজকাৰ্য চলোৱা বাৰভূঞা বংশৰ ধৰ্মজ্ঞ পুৰুষ ধৰ্মদেৱ বিপ্ৰ ভূঞাই দৰঙৰ দৌল উৎসৱৰ পাতনি মেলিছিল পহিলা ব'হাগত, তাহানিৰ বৰাবাৰী আৰু আজিৰ বৰদৌলগুৰিত 'বৰদৌল' (বৰদ'ল) প্ৰতিষ্ঠা কৰি তাহানিৰ পৰম্পৰাক সাৰোগত কৰি দৰঙীয়া ৰাইজে ব'হাগ মাহৰ উপৰি জেঠ মাহতো দৌল উৎসৱ বিভিন্ন প্ৰান্তত আয়োজন কৰি আহিছে প্ৰতি বছৰে। জিলাখনৰ বাদেও ৰাজ্যখনৰ ভিতৰতে ঘোঁৰাবান্ধা দৌল উৎসৱৰ মেলা এক বৃহৎ মেলাৰূপে গণ্য হৈ আহিছে।

## কুৰুৱাৰ হত্যাকাণ্ডত জড়িতক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ২৬ এপ্ৰিল ঃ** ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত কুৰুৱা অঞ্চলৰ চাৰু শইকীয়া (৫৫) নামৰ মহিলাগৰাকীৰ হত্যাকাণ্ডত জড়িত থকাৰ সন্দেহত এজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ১০ এপ্ৰিলত তেওঁৰ মৃতদেহ উদ্ধাৰ হৈছিল শুৱালকুছিত। এই সন্দৰ্ভত কুৰুৱা আঞ্চলিক মহিলা কল্যাণ পৰিষদে চাৰুক কোনো দুষ্কৃতিকাৰীয়ে পৰিকল্পিতভাৱে অপহৰণ কৰি নি হত্যা কৰা বুলি আৰক্ষীৰ ওচৰত অভিযোগ উত্থাপন কৰি আহিছিল। আনকি যোৱা ২২ এপ্ৰিলত বৃহত্তৰ কুৰুৱা ৰাইজ, কুৰৱা আঞ্চলিক ছাত্ৰ সন্থা, উত্তৰ গুৱাহাটী সন্মিলিত নাৰী মঞ্চ আদিকে ধৰি কে'বাটাও সংগঠনে ধৰ্ণা কাৰ্য ৰূপায়ণ কৰি পথ অৱৰোধ পৰ্যন্ত কৰিছিল। ইয়াৰ পাছতে যেন তদন্তৰ ক্ষেত্ৰত অধিকতৰ ক্ষিপ্ৰ হৈ পৰে ছিপাঝাৰ আৰক্ষীৰ। হত্যাকাণ্ডটোৰ সন্দৰ্ভত ছিপাঝাৰ আৰক্ষীয়ে চন্দন দাস (৩৬) নামৰ ওপৰ কুৰুৱাৰ লোক এজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰি তদন্ত অব্যাহত ৰাখিছে। ছিপাঝাৰত আৰক্ষীয়ে ২৮৪/১৮ নম্বৰৰ গোচৰত দাসক অভিযুক্ত কৰি পাঁচদিনৰ আৰক্ষী জিম্মাত ৰাখিছে।

## ৰঙাপৰাত ধৰ্ষণৰ বিৰুদ্ধে ৰাইজক সজাগ হ'বলৈ আহ্বান

বিশেষ সংবাদদাতা
**ৰঙাপৰা, ২৬ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত আজি এখন জনজাগৰণ সভা অনুষ্ঠিত হয়। ৰঙাপৰাৰ কমলা ভৱনত শিশুকে ধৰি মহিলা, যুৱতী, কিশোৰী ধৰ্ষণ, নাৰীৰ যৌন নিৰ্যাতন, হত্যা আদি ঘটনা সংঘটিত হৈ অহাৰ সময়তে ৰাইজক সজাগতা কৰাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সামাজিক সংগঠন 'ব্ৰাদাৰ্ছ'ৰ উদ্যোগত জনজাগৰণ সভা অনুষ্ঠিত হয়। ৰঙাপৰা আৰক্ষী থানাৰ প্ৰভাৰী খুৰছেদ আলীয়ে আঁত ধৰা অনুষ্ঠানত ব্ৰাদাৰ্ছৰ সচিব প্ৰধান দিব্যজ্যোতি শইকীয়া, ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ভবেশ মিশ্ৰ, সঞ্জীৱনী মহিলা সমিতিৰ সভানেত্ৰী নমিতা ব্ৰহ্ম, ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি সুনীল ম'ৰ, আছাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক বিনোদ দীঘাল উপস্থিত থাকে। সভাত ধৰ্ষণ, নাৰী নিৰ্যাতন, হত্যা আদি ঘটনাবোৰ প্ৰতিৰোধ কৰিবলৈ হ'লে ৰাইজ সজাগ হ'ব লাগিব বুলি কয় বক্তাসকলে। বৰ্তমান কিশোৰী, মহিলা, যুৱতীসকলৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে বুলি উদ্বেগ প্ৰকাশ কৰে।

## লংকাত নিচাযুক্ত ঔষধসহ আটক এক

অগ্ৰদূত বাৰ্তা
**লংকা, ২৬ এপ্ৰিল ঃ** আজি লংকা আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি লংকাৰ শ্বিলং ৰোডৰ পৰা নিচাযুক্ত টেবলেটসহ এজন লোকক হাতে লোতে আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোকজন কপাহবাৰীৰ তাহেৰ হুছেইন (৪০) বুলি আৰক্ষী সূত্ৰই জনাইছে। উল্লেখ্য যে আটকাধীন তাহেৰে হাওৰাঘাটৰ পৰা নিচাযুক্ত টেবলেটখিনি এখন স্কুটাৰৰ বক্সত ভৰাই লংকালৈ অনাৰ পথত শ্বিলংৰোডৰ পৰা আৰক্ষীয়ে নিচাযুক্ত টেবলেটখিনি জব্দ কৰে। জব্দকৃত টেললেটখিনিৰ ভিতৰত ৩২ পেকেট নিট্ৰ'ছোন টেবলেট আৰফু ১২০ পেকেট স্পাছমো প্ৰক্সিভন নিচাজাতীয় টেবলেট উদ্ধাৰ কৰে। জব্দ কৰা নিচাজাতীয় টেবলেটখিনিৰ মূল্য প্ৰায় ২০ হেজাৰ টকাৰো অধিক বুলি আৰক্ষী সূত্ৰটোৱে জনাইছে। বৰ্তমান লংকা আৰক্ষীয়ে তাহেৰক অধিক তথ্য লাভৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## গোৱালপাৰাত ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি

অগ্ৰদূত বাৰ্তা
**গোৱালপাৰা, ২৬ এপ্ৰিল ঃ** নিৰাপত্তাহীনতাত ভুগিছে গোৱালপাৰা চহৰবাসী। নিৰাপত্তা নাই খোদ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখৰ ব্যৱসায়ীসকলৰ। যোৱা ২৪ এপ্ৰিলৰ নিশা গোৱালপাৰা চহৰৰ বাপুজীনগৰত চোৰে চাফাই অভিযান চলায়। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ নিচেই কাষৰ নুৰজামাল হক আৰু ৰকিবুল ইছলাম নামৰ লোক দুজনৰ কাপোৰৰ দোকানত নিশা চোৰে লুটপাট চলায়। চোৰে চুৰি কৰি নিয়ে কাপোৰ আৰু নগদ ধন। দোকানৰ এচি বোৰ্ড ভাঙি চোৰে লুটি নিয়ে বহু টকাৰ সামগ্ৰী। চহৰখনৰ বাপুজী নগৰত পূৰ্বৰ পৰাই সঘনাই চুৰি কাণ্ড সংঘটিত হৈ আহিছে যদিও কাণসাৰ নাই আৰক্ষী প্ৰশাসনৰ।

## গোৱালপাৰাৰ চাৰিটা মথাউৰিত আজিও নপৰিল এচপৰা মাটি

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২৬ এপ্ৰিল ঃ** ৩০ এপ্ৰিলৰ ভিতৰত ৰাজ্যৰ সকলো মথাউৰি মেৰামতি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰা ঘোষণা গোৱালপাৰা জিলাত অসাৰ প্ৰতিপন্ন হৈছে। বিভাগীয় সূত্ৰে প্ৰকাশ মতে, জলসম্পদ বিভাগৰ অধীনস্থ গোৱালপাৰা জিলাৰ চাৰিটা মথাউৰিত আজিলৈকে নপৰিল এছপৰা মাটি। সূত্ৰটোৰ মতে জিলাখনত থকা এই মথাউৰিকেইটাৰ দৈৰ্ঘ্য প্ৰায় ৪৬ কিলোমিটাৰ। ইয়াৰে দুধনৈ বিধানসভা সমষ্টিৰ দুধনৈ মথাউৰিৰ দৈৰ্ঘ্য হ'ল প্ৰায় ১.৭৪ কিলোমিটাৰ। সেইদৰে গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত জিনাৰী নদীৰ পাৰৰ কৃষ্ণাই-জিনাৰী মথাউৰিৰ দৈৰ্ঘ্য প্ৰায় ৪.২৭ কিলোমিটাৰ আৰু গোৱালপাৰা চহৰৰ কাষত থকা ব্ৰহ্মপুত্ৰৰ পাৰত প্ৰায় ২.১৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি আছে। ইপিনে, গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত খৰমুজাৰ পৰা জলেশ্বৰ সমষ্টিৰ নিচিনপুৰলৈ থকা ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰিৰ দৈৰ্ঘ্য প্ৰায় ৩৮ কিলোমিটাৰ। প্ৰতিবাৰৰ বানপানীৰ লগতে বাৰিষাৰ বৰষুণে মথাউৰিসমূহ বিধ্বস্ত কৰি আহিছে। ইয়াৰ উপৰি মথাউৰিসমূহৰ ওপৰেদি দিনে-নিশাই ট্ৰেক্টৰ চলাচল কৰাত সম্প্ৰতি মথাউৰিসমূহত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈ মৰণফান্দত পৰিণত হৈছে। বিশেষকৈ ৩৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ খৰমুজা-নিচিনপুৰ মথাউৰিটোৰ বিভিন্ন অংশত ব্ৰহ্মপুত্ৰই খহাই নিয়াৰ লগতে খহনীয়াত আক্ৰান্ত একাংশ লোকে মথাউৰিতে বাসস্থান সাজি আশ্ৰয় লৈ আছে। দীৰ্ঘদিন ধৰি সেয়া মেৰামতি নকৰা বাবেই বিধ্বস্ত হৈ পৰা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। একেদৰে কৃষ্ণাই আৰু দুধনৈৰ মথাউৰি দুটাৰ অৱস্থাও শোচনীয় হৈ পৰিছে। ৩০ এপ্ৰিলৰ ভিতৰত মথাউৰিসমূহ মেৰামতি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাত জিলাবাসী ৰাইজ উৎফুল্লিত হৈ পৰিছিল। কিন্তু উক্ত ঘোষণা অসাৰ প্ৰতিপন্ন হোৱাত সম্প্ৰতি ৰাইজ আতংকিত হৈ পৰিছে। জলসম্পদ বিভাগৰ উপৰি জিলাখনত থকা গ্ৰামোন্নয়ন বিভাগৰ মথাউৰিসমূহৰ অৱস্থাও যথেষ্ট শোচনীয়। ইপিনে, গোৱালপাৰা চহৰৰ সমীপৰ বলদমাৰী চৰত ব্ৰহ্মপুত্ৰৰ গৰাখনীয়াৰ ফলত প্ৰায় সহস্ৰাধিক পৰিয়ালৰ ভেটি উছন হৈছে যদিও চৰকাৰে উপযুক্ত পদক্ষেপ নোলোৱাত ৰাইজ চিন্তিত হৈ পৰিছে।

### মুখ্যমন্ত্ৰীৰ ঘোষণা অসাৰ প্ৰতিপন্ন



*হোজাইত ধুমুহাত বিধ্বস্ত এটি গৃহ, বৃহস্পতিবাৰে।*

## টিহুৰ চিকিৎসালয়ত ৰোগীৰ বিলৈ ঃ ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# মমবাতিৰ পোহৰতে চিকিৎসা সেৱা

অগ্ৰদূত বাৰ্তা
**টিহু, ২৬ এপ্ৰিল ঃ** টিহু ৩০খন বিছনা যুক্ত গ্ৰামীণ চিকিৎসালয়ত পৰ্যাপ্ত যন্ত্ৰপাতি, চিকিৎসক, কৰ্মচাৰীৰ লগতে চিকিৎসা সেৱাৰ বিভিন্ন দিশৰ সা-সুবিধাৰ অভাৱৰ বাবে ৰোগীসকল দুৰ্দশাত ভুগিবলগীয়া হৈছে। উল্লেখ্য যে টিহু ৩০খন বিছনাযুক্ত গ্ৰামীণ চিকিৎসালয়খন বৃহত্তৰ টিহু অঞ্চলবাসীৰ বেমাৰ-আজাৰ, প্ৰসুতি চিকিৎসা, দুৰ্ঘটনা আদি দিশৰ নিৰাপদ আশ্ৰয়স্থলী, কিন্তু চিকিৎসালয়খনত চিকিৎসা সেৱাৰ নামত চলি থকা ভেঁকোভাওনাই সকলোকে বিপাঙত পেলাই আহিছে। চিকিৎসালয়খনত পৰ্যাপ্ত চিকিৎসক নথকা বাবে তিনি বছৰীয়া কোৰ্ছৰ কনিষ্ঠ চিকিৎসক সকলক বিভিন্ন ছাব চেণ্টাৰৰ পৰা আনি চিকিৎসা কাৰ্য সম্পাদন কৰিবলগীয়া হয়। আনহাতে, চিকিৎসালয়খনত কোনো মেডিচিন বিশেষজ্ঞ, চকু-কাণ-নাকৰ বিশেষজ্ঞ নাই। চিকিৎসালয়খনত সামান্য সুবিধা আছে, তাতো 'আছে গৰু নাবায় হাল, থকাতকৈ নথকায় ভাল' কথাষাৰিহে প্ৰযোজ্য হয়। কাৰণ চিকিৎসালয়খনত দুগৰাকী প্ৰসুতি চিকিৎসক আছে, কিন্তু গৰ্ভৱতী মহিলাৰ চিজাৰিয়ান কাৰ্য সম্পাদন কৰিবলৈ আন ঠাইৰ পৰা চিকিৎসক আনিব লাগে বুলি অভিযোগ উঠিছে। আল্ট্ৰাছ'নগ্ৰাফী আছে, কিন্তু ইয়াৰ ব্যৱহাৰৰ বাবে অভিজ্ঞ লোক নাই। ফলত অব্যৱহৃত মেচিনটো নষ্ট হোৱাৰ সম্ভাৱনা আহি পৰিছে। এক্স-ৰে' মেচিন আছে, কিন্তু এক্স-ৰে বিশেষজ্ঞ নাই। সেয়ে নলবাৰী অসামৰিক হাস্পতালৰ পৰা সপ্তাহত দুদিন অভিজ্ঞ লোক আনি পাল মৰা ধৰণে কাম চলাই থকা হৈছে। প্লাষ্টাৰ আছে, কিন্তু হাত-ভৰি ভগা লোকৰ প্লাষ্টাৰ কৰিবলৈ অভিজ্ঞ কৰ্মচাৰী নাই। সদ্যোজাত শিশু ৰাখিবলৈ নিৰাপদ কক্ষ নাই। ড্ৰেছাৰ এজন আছে যদিও তেওঁ প্ৰায়ে অনুপস্থিত থাকে বুলি বিভিন্ন ৰোগীৰ পৰা অভিযোগ পোৱা যায়। ইফালে, চিকিৎসালয়খনত ব্লাড বেংক এটা নামতহে আছে, কোনো ৰোগীক তেজ দিবলগীয়া হ'লে নলবাৰীৰ পৰা তেজ আনিব লাগে। ৰোগী ৰখা কোঠাত কমেও ছখনকৈ বৈদ্যুতিক পাংখাৰ প্ৰয়োজন যদিও তিনিখনকৈহে আছে। ৩০খন বিছনাযুক্ত চিকিৎসালয়খনৰ বিছনাসমূহৰ বাবে এখনো বিছনাচাদৰ আৰু আঁঠুৱা নাই। ইফালে, চিকিৎসালয়খনৰ নিজাববীয়াকৈ কোনো এম্বুলেঞ্চো নাই। এখন ৩০খন বিছনাযুক্ত চিকিৎসালয়ত অতি কমেও ১৬গৰাকী চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ প্ৰয়োজন, কিন্তু ইয়াত মাত্ৰ চাৰিগৰাকী চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰে কাম-কাজ চলাই থকা হৈছে। ইফালে, চিকিৎসালয়খনত থকা জেনেৰেটৰটো বেছিভাগ সময় বিকল হৈ থাকে, ফলত বিজুলী নথকা অৱস্থাত সংকটজনক ৰোগী আহিলে টৰ্চ অথবা মমবাতিৰ পোহৰতে চিকিৎসা সেৱা কৰিব লগা হয়। স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিভাগটোৰ চিকিৎসা সেৱাৰ এনে দুৰৱস্থাত সচেতন মহলৰ চকু কপালত উঠিছে। টিহু ৩০খন বিছনাযুক্ত গ্ৰামীণ চিকিৎসালয়ৰ এনে চৰম দুৰৱস্থাৰ বাবে অঞ্চলটোৰ ৰোগীসকলে দুৰ্ভোগ ভুগি থাকিবলগীয়াত পৰিছে। ইতিমধ্যে টিহু আঞ্চলিক ছাত্ৰ সন্থাই চিকিৎসালয়খনৰ উন্নয়নৰ দাবীত ধৰ্মঘট, স্মাৰকপত্ৰ প্ৰদান আদি কাৰ্যসূচী ৰূপায়ণ কৰিছে যদিও বিভাগীয় কৰ্তৃপক্ষৰ গা লৰা নাই। সেয়ে স্বাস্থ্য মন্ত্ৰী ড° শৰ্মাক টিহু ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ অভাৱ-অভিযোগবোৰ আঁতৰাই ৰোগীসকলৰ দুখ-দুৰ্দশা নোহোৱা কৰিবলৈ সৰ্বস্তৰৰ ৰাইজে দাবী জনাইছে।

## মৰিয়নিত মদৰ ঘাটি উৎখাত ঃ নষ্ট কৰিলে আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৬ এপ্ৰিল ঃ** মৰিয়নিৰ আৰক্ষীয়ে সুৰাবিৰোধী অভিযান চলাই থকাৰ মাজতে একাংশ লোকে বৰ্তমানেও অতি গোপনে মদৰ অবৈধ ব্যৱসায় চলাই আহিছে। আজি গধূলি মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উৎপল দত্তৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে ষ্টেছন ৰোডত অভিযান চলাই এক চক্ৰক উৎখাত কৰে। মৰিয়নিৰ ৰেল ষ্টেছনৰ সমীপতে ৰেলৱে কোৱাৰ্টাৰৰ কাষতে অতি গোপনে এই চক্ৰটোৱে দীৰ্ঘদিন ধৰি মদৰ ব্যৱসায় চলাই আহিছিল। আৰক্ষীৰ দলটোৱে এই সম্পৰ্কে জানিব পাৰি অভিযান চলাই বৃহৎসংখ্যক দেশী-বিদেশী মদ উদ্ধাৰ কৰে। অৱশ্যে আৰক্ষী যোৱাৰ লগে লগেই গৰাকী পলাই যায় যদিও একাংশ গ্ৰাহকক সুৰাপান কৰি থকা অৱস্থাতে পায়। আৰক্ষীৰ দলটোৱে উদ্ধাৰ কৰা সুৰাখিনি উক্ত স্থানতে নষ্ট কৰি পেলায়। মৰিয়নিৰ একাংশ পাণ দোকানতো সম্প্ৰতি সুৰা উপলব্ধ হৈ পৰিছে।